**ইণ্ডিয়া–এআই ইম্পেক্ট ছামিট 2026ৰ মাজতে শ্লোভাক গণৰাজ্যৰ ৰাষ্ট্ৰপতি মহামান্য শ্ৰী পিটাৰ পেলেগ্ৰিনিৰ সৈতে প্ৰধানমন্ত্ৰীৰ দ্বিপাক্ষিক বৈঠক**

ফেব্ৰুৱাৰী 20, 2026

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি 2026 চনৰ 16-20 ফেব্ৰুৱাৰীলৈ নতুন দিল্লীত চলি থকা ইণ্ডিয়া-এআই ইম্পেক্ট ছামিট 2026ৰ মাজতে শ্লোভাক গণৰাজ্যৰ ৰাষ্ট্ৰপতি মহামান্য শ্ৰী পিটাৰ পেলেগ্ৰিনিক সাক্ষাৎ কৰে। এয়া হৈছে দুই নেতাৰ মাজত হোৱা প্ৰথমটো সাক্ষাৎ।

2. এই বৈঠকে দুয়োগৰাকী নেতাক ভাৰত-শ্লোভাকিয়া সম্পৰ্কৰ সমগ্ৰ দিশ পৰ্যালোচনা কৰাৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু গোলকীয় বিষয়সমূহৰ ওপৰত মত বিনিময় কৰাৰ এক সুযোগ প্ৰদান কৰে।

3. নেতাসকলে শেহতীয়া ভাৰত-ইউৰোপীয় ইউনিয়ন শীৰ্ষ সন্মিলনে সৃষ্টি কৰা ইতিবাচক গতিশীলতাক স্বীকাৰ কৰে আৰু অগ্ৰাধিকাৰ লাভ কৰা ক্ষেত্ৰসমূহৰ সম্পৰ্কক অধিক উচ্চ পৰ্যায়লৈ নিবলৈ ঐতিহাসিক ভাৰত-ইউৰোপীয় ইউনিয়ন মুক্ত বাণিজ্য চুক্তিৰ সফল সমাপ্তিৰ লগতে যুটীয়া ভাৰত-ইউৰোপীয় ইউনিয়ন সৰ্বাংগীন কৌশলগত এজেণ্ডা গ্ৰহণ কৰাক আদৰণি জনায়।

4. দুয়োগৰাকী নেতাই দ্বিপাক্ষিক অৰ্থনৈতিক আৰু বাণিজ্যিক সম্পৰ্কৰ বৰ্ধিত গতিত সন্তোষ প্ৰকাশ কৰে আৰু ষ্টাৰ্টআপ, তথ্য প্ৰযুক্তি, পাৰমাণৱিক শক্তিকে ধৰি নৱীকৰণযোগ্য শক্তি, উৎপাদন, প্ৰতিৰক্ষা, মহাকাশ আৰু শিক্ষাৰ দৰে খণ্ডসমূহৰ অধিক সুযোগ অন্বেষণ কৰিবলৈ সন্মত হয়।

5. দুয়োগৰাকী নেতাই এআই আৰু ভৱিষ্যতৰ প্ৰযুক্তিৰ লগতে ডিজিটেল পাব্লিক ইনফ্ৰাষ্ট্ৰাকচাৰৰ ক্ষেত্ৰত বৰ্ধিত সহযোগিতাৰ সম্ভাৱনাক স্বীকাৰ কৰে, যি ভাৰতৰ "এআই ফৰ অল" অৰ্থাৎ "সকলোৰে বাবে এআই" শীৰ্ষক দৃষ্টিভংগী আৰু শ্লোভাকিয়াৰ ডিজিটেল ট্ৰেঞ্চফৰমেচন তথা ইণ্ডাষ্ট্ৰী 4.0-ৰ ওপৰত দিয়া গুৰুত্বৰ সৈতে সংগতিপূৰ্ণ।

6. প্ৰধানমন্ত্ৰী মোদী আৰু ৰাষ্ট্ৰপতি পেলেগ্ৰিনিয়ে জনসাধাৰণৰ মাজত পাৰস্পৰিক সম্পৰ্ক, পৰ্যটন আৰু সাংস্কৃতিক আদান-প্ৰদান শক্তিশালী কৰাৰ বাবে পুনৰ প্ৰতিশ্ৰুতিবদ্ধ হয়। ৰাষ্ট্ৰপতি পেলেগ্ৰিনিয়ে শ্লোভাকিয়াত থকা ভাৰতীয় সম্প্ৰদায়ৰ অৱদানক প্ৰশংসা কৰে আৰু দুয়োগৰাকী নেতাই দুয়োখন দেশৰ মাজত জনসাধাৰণৰ যাতায়াত অধিক সহজতৰ কৰাৰ বাবে চলি থকা প্ৰচেষ্টাক আদৰণি জনায়।

নতুন দিল্লী

ফেব্ৰুৱাৰী 20, 2026